আমাৰ অসম

যোৰহাট, সোমবাৰ ■ ১৮ কাতি, ১৯৪৬ শক

■ ৪ নৱেম্বৰ ২০২৪

# কঠোৰ পৰিশ্ৰমৰ জৰিয়তেহে সফলতা সম্ভৱ

## ডিব্ৰু মহাবিদ্যালয়ৰ হীৰক জয়ন্তীৰ সামৰণী অনুষ্ঠানত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল

**'আমাৰ অসম'ৰ ডিব্ৰুগড়ৰ প্ৰতিবেদক, ৩ নৱেম্বৰ ঃ** 'কঠোৰ পৰিশ্ৰমৰ জৰিয়তে সফলতা আনিব পাৰি। সফল ব্যক্তি হ'বলৈ শিক্ষাৰ্থীসকলে নিজেই নিজক গঢ়িব লাগিব।'— ডিব্ৰু মহাবিদ্যালয়ৰ হীৰক জয়ন্তী বৰ্ষৰ সামৰণী অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকি এই গুৰুত্বপূৰ্ণ মন্তব্য কৰিছে কেন্দ্ৰীয় চৰকাৰৰ জাহাজ, বন্দৰ, জলপৰিবহণ মন্ত্ৰণালয়ৰ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে। ডিব্ৰু মহাবিদ্যালয়ৰ হীৰক জয়ন্তী বৰ্ষ উদ্‌যাপন সমিতিৰ সহযোগী সম্পাদক বিজু মৰাণে আঁত ধৰা অনুষ্ঠানত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে উত্তৰ-পূৰ্বাঞ্চলৰ শিক্ষাৰ প্ৰাণকেন্দ্ৰ হিচাপে ডিব্ৰু মহাবিদ্যালয়ে নিজৰ পৰিচয় দাঙি ধৰিছে বুলি মন্তব্য কৰে। একেটা প্ৰসংগত কেন্দ্ৰীয় মন্ত্ৰী সোণোৱালে ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি অনুপ্ৰেৰণামূলক বক্তব্য আগবঢ়ায়। তেওঁ কয় যে শিক্ষাৰ্থীসকলে ভাল কাম কৰিবলৈ প্ৰতিজ্ঞাবদ্ধ হ'ব লাগিব। শৃংখলাবদ্ধ মানি চলি শিক্ষা গ্ৰহণ কৰিব লাগিব। শিক্ষাৰ্থীসকলে সফল ব্যক্তি হ'বলৈ নিজেই নিজক গঢ়িব লাগিব। পৰিশ্ৰমৰ জৰিয়তে সফলতা লাভ কৰিব পাৰি। কষ্ট কৰি সফলতা লাভ কৰিলে সমাজ উপকৃত হ'ব আৰু পিতৃ-মাতৃ আনন্দিত হ'ব। মাতৃ-পিতৃ আৰু শিক্ষাগুৰুৰ কথা মানি চলা ছাত্ৰ-ছাত্ৰী কেতিয়াও বিফল নহয়। কঠোৰ পৰিশ্ৰম আৰু শৃংখলাবদ্ধতাৰ জৰিয়তে মহান মনীষীসকল সফলতা বুটলিবলৈ সক্ষম হৈছে বুলি উল্লেখ কৰি সোণোৱালে আৰু কয়— শিক্ষা, সংস্কৃতি আৰু ক্ৰীড়া শক্তিশালী হোৱা সমাজখনে শক্তিশালী। এই তিনিটা বিভাগত প্ৰচুৰ পৰিমাণে সম্পদ আৰু সম্ভাৱনা আছে। সামাজিক ব্যাধিৰ বিৰুদ্ধে যুঁজ দিবলৈ ডিব্ৰু মহাবিদ্যালয়ক আহ্বান জনাই বদ অভ্যাসৰ বিৰুদ্ধে কঠোৰ হ'বলৈ আহ্বান জনায়। ডিব্ৰু কলেজৰ নাম ল'লৈই যাতে প্ৰশংসা কৰে তাৰ বাবে প্ৰতিজ্ঞা ল'ব লাগিব বুলিও মন্তব্য কৰে। উল্লেখ্য, হীৰক জয়ন্তী বৰ্ষৰ সামৰণী অনুষ্ঠান উপলক্ষে আজি পুৱা সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হয়। ডিব্ৰু মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ ড° পৰেশ বৰুৱাই মুকলি কৰা এই সাংস্কৃতিক শোভাযাত্ৰাত বিভিন্ন জাতি-জনগোষ্ঠীৰ সাংস্কৃতিক দলে অংশগ্ৰহণ কৰে। ইয়াৰ পিছতে 'সাম্প্ৰতিক কালত উত্তৰ-পূৰ্বাঞ্চলৰ ভাষিক পৰিস্থিতি' সম্পৰ্কে এক বক্তৃতানুষ্ঠান অনুষ্ঠিত হয়। ডিব্ৰু মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ ড° জিতু বুঢ়াগোহাঁয়ে উদ্বোধন কৰা বক্তৃতানুষ্ঠানত সমল ব্যক্তি হিচাপে উপস্থিত থাকে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ অৱসৰপ্ৰাপ্ত প্ৰাধ্যাপক ড° ভীমকান্ত বৰুৱা। আনহাতে ডিব্ৰু মহাবিদ্যালয়ৰ হীৰক জয়ন্তী বৰ্ষ উপলক্ষে প্ৰস্তুত কৰা শীৰ্ষ গীত উন্মোচন কৰে বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° জিতেন হাজৰিকাই। মহাবিদ্যালয়খনৰ হীৰক জয়ন্তী বৰ্ষৰ লগত সংগতি ৰাখি প্ৰকাশ কৰা স্মৃতিগ্ৰন্থৰো উন্মোচন কৰা হয়। উল্লেখ্য, আজি এই অনুষ্ঠানত ৰাজ্যসভাৰ সাংসদ ৰামেশ্বৰ তেলী, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° জিতেন হাজৰিকা, ডিব্ৰু মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি ড° প্ৰদীপ কুমাৰ বৰুৱা, মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° ৰঞ্জন চাংমাই, উদ্‌যাপন সমিতিৰ সাধাৰণ সম্পাদক কমলেন্দু শইকীয়া, সহযোগী সম্পাদক বিজু মৰাণ, ৰাহুল দেৱ সোণোৱাল, ডিব্ৰু মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ জ্যোতি বৰগোহাঁই, উপাধ্যক্ষ ড° অদিতি বৰুৱা, কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়া, পৌৰনিগমৰ মেয়ৰ ডাঃ চৈকত পাত্ৰ উপস্থিত থাকে। বিয়লি 'শকুনিৰ প্ৰতিশোধ' শীৰ্ষক ভাওনা প্ৰদৰ্শন কৰা হয়। এই ভাওনাখন মুকলি কৰে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° জিতেন হাজৰিকাই।




*অনুষ্ঠানত ভাষণ প্ৰদান কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ*